অধ্যায় ১২ ঃ ভাৰতত জিলা প্ৰশাসন

অধ্যায় গাঁথনি

১২.১ উদ্দেশ্য
১২.২ পৰিচয়
১২.৩ জিলা প্ৰশাসনৰ ইতিহাস, সংগঠন আৰু কাৰ্যাৱলী
১২.৩.১ জিলা প্ৰশাসনৰ ইতিহাস
১২.৩.২ জিলা প্ৰশাসনৰ সংগঠন
১২.৩.৩ জিলা প্ৰশাসনৰ কাৰ্যাৱলী
১২.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১২.৫ অধিক জানিবলৈ
১২.৬ অগ্ৰগতিৰ খতিয়ান
১২.৭ আৰ্হি প্ৰশ্ন

১২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ভাৰতত জিলা প্ৰশাসনৰ ইতিহাস ব্যাখ্যা কৰিব পাৰিব
- জিলা প্ৰশাসনৰ সংগঠন বৰ্ণনা কৰিব পাৰিব
- জিলা প্ৰশাসনৰ কিছুমান গুৰুত্বপূৰ্ণ বিষয়াৰ বিষয়ে আলোচনা কৰিব পাৰিব
- জিলা প্ৰশাসনৰ কাৰ্যাৱলী আলোচনা কৰিব পাৰিব

১২.২ পৰিচয়

ভাৰততপ্ৰশাসনৰ প্ৰাথমিক একক হৈছে জিলা আৰু জিলা প্ৰশাসন হ'ল এই এককটোৰ কাৰ্যকলাপ পৰিচালনা কৰাৰ পদ্ধতি। জিলা প্ৰশাসন হ'ল প্ৰকাৰৰ ক্ষেত্ৰ সেৱা । সচিবালয়ৰ বাহিৰত থকা ৰাজ্য চৰকাৰৰ বেছিভাগ বিভাগৰে বহিঃ সেৱা বা ক্ষেত্ৰ সেৱা থাকে যিবোৰ জিলাত অৱস্থিত হয়। এই বিভাগবোৰ আৰু আন কিছুমান কেন্দ্ৰীয় চৰকাৰৰ লগত জড়িত বিভাগৰ কাৰ্যকলাপৰ সমষ্টিয়েই জিলা প্ৰশাসন গঠন কৰে। জিলা প্ৰশাসন পৰিচালনা কৰাৰ দায়িত্ব জিলা উপায়ুক্তৰ, যাক কিছুমান ৰাজ্যত জিলা ৰাজহ বিষয়া (District Collector) হিচাপেও জনা যায়। বিভিন্ন বিভাগীয় মুৰব্বীৰ অধীনত থকা বিভিন্ন বিভাগৰ সামগ্ৰিক কাৰ্য সম্পাদনৰ দায়িত্ব জিলা উপায়ুক্তই বহন কৰে।

১২.৩ ভাৰতত জিলা প্ৰশাসনৰ ইতিহাস, সংগঠন আৰু কাৰ্যাৱলী

১২.৩.১ ভাৰতত জিলা প্ৰশাসনৰ ইতিহাস

ভাৰতে ইতিহাসৰ বিভিন্ন পৰ্যায়ত বিভিন্ন ৰূপত জিলা প্ৰশাসনৰ অস্তিত্ব প্ৰত্যক্ষ কৰি আহিছে। মৌৰ্য সাম্ৰাজ্য হৈছে ঐতিহাসিকভাৱে চিহ্নিত প্ৰথম সাম্ৰাজ্য। এই সাম্ৰাজ্যক বিভিন্ন এলেকাত ভাগ কৰা হৈছিল যাক পুনঃবিভাজন কৰা হৈছিল জিলালৈ আৰু এই জিলাসমূহৰ আহাৰ, বিশ্ব আৰু প্ৰদেশ হিচাপে জনা গৈছিল। অশোকৰ শিলালিপিয়েও প্ৰদেশিকাৰ কথা কৈছে যিবোৰ বিষয়াৰ ওপৰত প্ৰদেশ বা জিলাৰ উন্নয়নৰ দায়িত্ব দিয়া হৈছিল। এই জিলাবোৰ মৌৰ্য সাম্ৰাজ্যৰ গুৰুত্বপূৰ্ণ প্ৰশাসনিক গোট আছিল। গুপ্ত সাম্ৰাজ্যৰ দিনতো ৰাজ্যখনক প্ৰদেশত ভাগ কৰা হৈছিল। এই প্ৰদেশবোৰক আকৌ ভাগ কৰা হৈছিল বিশ্ব বা মণ্ডলত আৰু বিশ্বৰ ভাৰপ্ৰাপ্ত বিষয়াক আয়ুক্ত বা বিশ্বপতি বুলি কোৱা হৈছিল। মোগলসকলেও এই পদ্ধতিকেই অনুসৰণ কৰিছিল। প্ৰশাসন আৰু ৰাজহ সংগ্ৰহৰ উদ্দেশ্যে তেওঁলোকে সাম্ৰাজ্যখনক প্ৰদেশ বা চুবাহত ভাগ কৰিছিল যাক পুনৰ চৰকাৰ বা জিলালৈ ভাগ কৰা হৈছিল।

বৃটিছ শাসনৰ অধীনত পূৰ্বৰ শাসন পদ্ধতি বাহাল ৰখা হৈছিল আৰু জিলাক প্ৰশাসনৰ প্ৰাথমিক একক কৰা হৈছিল। এই জিলাই প্ৰকাৰান্তৰে প্ৰশাসনিক আৰু ৰাজনৈতিক দুয়োটা সংজ্ঞাৰ পৰাই এক গৌণ ৰাজধানীলৈ পৰিণত হৈছিল। স্বাধীন ভাৰততো জিলাই নিজৰ মৰ্যাদা অটুট ৰাখিছে। এই পৰ্যায়তে চৰকাৰী নীতিবোৰৰ প্ৰকৃত ৰূপায়ণ হয়। জিলা পৰ্যায়তে চৰকাৰৰ মহৎ আৰু জটিল যন্ত্ৰটো কাৰ্যক্ষম হয় আৰু এই পৰ্যায়ত চৰকাৰৰ কাৰ্যক্ষমতাৰ পৰাই আমি চৰকাৰী নীতিৰ সাফল্য জুখিব পাৰো। প্ৰকৃততেই ক'ব পৰা যায় যে, জিলা হৈছে প্ৰশাসনৰ সেইটো একক যাৰ লগত প্ৰায় প্ৰত্যেকজন নাগৰিকেই যোগাযোগ কৰিব পাৰে। দেশৰ প্ৰত্যেকখন গাঁও আৰু চহৰ জিলাৰ অংশবিশেষ। প্ৰত্যেক জিলাই জিলা উপায়ুক্তৰ তদাৰক আৰু নিয়ন্ত্ৰণত কাৰ্য সম্পাদন কৰে, কিয়নো তেওঁ জিলাৰ মুখ্য কাৰ্যপালিকা।

১২.৩.২ জিলা প্ৰশাসনৰ সংগঠন

ৰাজ্যৰ বেছিভাগ বিভাগকেই জিলা পৰ্যায়ত তেওঁলোকৰ নিজৰ নিজৰ বিষয়াই প্ৰতিনিধিত্ব কৰে। ফলত জিলাৰ প্ৰশাসনীয় কেন্দ্ৰটো ৰাজ্যৰ একপ্ৰকাৰ গৌণ ৰাজধানীত পৰিণত হৈছে। এই পৰ্যায়ত প্ৰতিনিধিত্ব কৰা বিভাগসমূহৰ নাম আৰু সংখ্যা ৰাজ্য অনুযায়ী বেলেগ বেলেগ হয়। তাৰে কিছুমান তলত উল্লেখ কৰা হ'ল।

বিভাগ	জিলাত বিভাগৰ মুৰব্বী
১. কৃষি	১. জিলা কৃষি বিষয়া/সহকাৰী কৃষি পৰিচালক
২. শিক্ষা	২. জিলা শিক্ষা বিষয়া/বিদ্যালয় পৰিদৰ্শক

৩. বিক্ৰী কৰ	৩. জিলা বিক্ৰী কৰ বিষয়া
৪. আবকাৰী	৪. জিলা আবকাৰী বিষয়া/আবকাৰী/অধীক্ষক
৫. বন	৫. জিলা বন বিষয়া
৬. আইন	৬. জিলা ন্যায়াধীশ
৭. চিকিৎসা	৭. জিলা চিকিৎসা বিষয়া/চিকিৎসা সেৱাৰ সংযুক্ত পৰিচালক
৮. আৰক্ষী	৮. আৰক্ষী অধীক্ষক
৯. গড়কাপ্তানি	৯. কাৰ্যকৰী অভিযন্তা
১০. কোষাগাৰ আৰু গণনা	১০. জিলা গাণনিক বিষয়া/কোষাগাৰ বিষয়া
১১. পশু চিকিৎসা আৰু পশুপালন	১১. জিলা পশু চিকিৎসা বিষয়া/পশু চিকিৎসা সেৱাৰ সহকাৰী পৰিচালক

জিলা উপায়ুক্ত জিলা প্ৰশাসনৰ অপৰিহাৰ্য অংগ। আন সকলো জিলাৰ কৰ্মকৰ্তাই তেওঁৰ তদাৰকত কাম কৰে। তেওঁ সাধাৰণতে ভাৰতীয় প্ৰশাসনিক সেৱাৰ সদস্য হয় আৰু তেওঁ কোনো বিশিষ্ট সেৱাৰ সদস্য নহয়, য'ত নেকি আন বেছিভাগ বিষয়া কাৰিকৰী কৰ্মচাৰী আৰু সাধাৰণতে তেওঁলোক ৰাজ্যৰ বিশিষ্ট সেৱাৰ সদস্য হয়।

- **জিলা আৰু সত্ৰ ন্যায়ধীশ**

  জিলা আৰু সত্ৰ ন্যায়াধীশসকলে একোখন জিলাৰ ন্যায়িক সংগঠনটোৰ মুৰব্বী ৰূপে কাৰ্যনিৰ্বাহ কৰে। এক আপীল কৰ্তৃপক্ষ হিচাপে জিলা আৰু সত্ৰ ন্যায়াধীশে জিলাৰ ন্যায়াধীশ আৰু অধঃস্তন বিচাৰকৰ আদালতৰপৰা অহা দণ্ডাবিধি তথা ফৌজদাৰী দুয়ো ধৰণৰগোচৰৰ আপীল শুনে। জিলা আৰু সত্ৰ ন্যায়াধীশে সংশ্লিষ্ট জিলাৰ দণ্ডবিধি আৰু ফৌজদাৰী আদালতৰ কাম-কাজবোৰৰ তদাৰক কৰাৰ দৰে আন কিছুমান প্ৰশাসনীয় কৰ্তব্যও পালন কৰে।

- **আৰক্ষী অধীক্ষক**

  এখন জিলাৰ আৰক্ষী প্ৰশাসনৰ মুৰব্বীগৰাকীক আৰক্ষী অধীক্ষক বোলে। তেওঁলোক ৰাজ্যিক আৰক্ষী সেৱা অথবা ভাৰতীয় আৰক্ষী সেৱাত কৰ্মৰত আৰক্ষী বিষয়া। কিছুমান জিলাত এগৰাকী জ্যেষ্ঠ আৰক্ষী অধীক্ষকে আৰক্ষী প্ৰশাসনৰ মুৰব্বী ৰূপে কাম কৰে। আৰক্ষী অধীক্ষকগৰাকীয়ে সংশ্লিষ্ট জিলাৰ বৃহত্তৰ নগৰাঞ্চল তথা গ্ৰামাঞ্চলৰ তদাৰক কৰাৰ দায়িত্ব পালন কৰে। আৰক্ষী অধীক্ষকগৰাকীক উপ-আৰক্ষী অধীক্ষক, আৰক্ষী পৰিদৰ্শক, আৰক্ষী উপ-পৰিদৰ্শক আদিয়ে সহায় কৰে। তেওঁলোক আটায়ে সহায়-সহযোগিতাৰ মাধ্যৱেৰে সংশ্লিষ্ট জিলাৰ শান্তি-শৃংখলা বৰ্তাই ৰাখে। জিলা এখনৰ আৰক্ষী বিভাগটো জিলা প্ৰশাসনৰ মুৰব্বী উপায়ুক্তৰ সাধাৰণ নিয়ন্ত্ৰণ আৰু নিৰ্দেশনাৰ অধীন। এখন জিলাৰ আইন-শৃংখলো পৰিস্থিতি নিয়ন্ত্ৰণ কৰাৰ বাবে উপায়ুক্তক অৰ্পন কৰা প্ৰধান দায়িত্বতো পালনত আৰক্ষী বাহিনীয়ে মুখ্য ভূমিকা পালন কৰে। উপায়ুক্তই

আৰক্ষী অধীক্ষকৰ সৈতে সমন্বয় ৰক্ষা কৰি জিলাৰ শান্তি-সম্প্ৰীতি তথা ৰাজহুৱা শৃংখলা সকলো সময়তে বৰ্তাই ৰখাৰ চেষ্টা কৰে।

- **কাৰ্যবাহী অভিযন্তা**

এখন জিলাৰ অভিযান্ত্রিক প্ৰশাসনৰ মুৰব্বী হ'ল কাৰ্যবাহী অভিযন্তা।কাৰ্যবাহী অভিযন্তাৰ বিভাগটোক গড়কাপ্তানি বিভাগ। এই বিভাগটোৱে চৰকাৰী ভৱন, বাট-পথ, দলং, জলভাণ্ডাৰ (পুখুৰী) , কুঁৱা আদি নিৰ্মাণ তথা তদাৰকৰ কামবোৰ সমাধা কৰে।

- **মহকুমাধিপপ্ৰতি**

এখন জিলাক বিভিন্ন মহকুমাত বিভক্ত কৰি লোৱা হয়। একোগৰাকী মহকুমাধিপতি সমাহৰ্তাই একোখন মহকুমাৰ মুৰব্বী হিচাপে কাৰ্যনিৰ্বাহ কৰে। ভাৰতীয় প্ৰশাসনীয় সেৱাত নতুনকৈ যোগদান কৰা অথবা ৰাজ্যিক অসামৰিক সেৱাৰ বিষয়াসকলক এই পদত নিযুক্তি দিয়া হয়। উপপ্ৰতি সমাহৰ্তসকলে মহকুমা পৰ্যায়ত জিলা সমাহৰ্তাই জিলা পৰ্যায়ত কৰা সকলো ধৰণৰ কাম-কাজ আগবঢ়াই নিয়ে। উপপ্ৰতি সমাহৰ্ত জিলা প্ৰশাসনৰ এক অবিচ্ছেদ্য অংগ। তেওঁ মহকুমা পৰ্যায়ৰ বিভিন্ন কাম-কাজ সম্পৰ্কে জিলা সমাহৰ্তাক ক্ষেত্ৰভিত্তিক সহায়-সমৰ্থন আগবঢ়ায়। উপপ্ৰতিসমাহৰ্তাসকলে মহকুমা পৰ্যায়ত ৰাজহ বিষয়ক কাম কাজ, দণ্ডাধীশ বিষয়ক কাম-কাজ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিষয়ক কাম-কাজ সম্পাদন কৰে।



জানি থোৱা ভাল

জিলাধিপতিজনক অসম, পাঞ্জাৱ আৰু হাৰিয়ানাত উপায়ুক্ত (Deputy Commissioner) বোলা হয়। আন কিছুমান ৰাজ্যত, য'ত আইনী ক্ষমতাও জিলাধিপতিৰ হাতত থাকে তাত, তেওঁক জিলাৰ হাকিম (District Magistrate) বোলা হয়।

১২.৩.৩ জিলা প্ৰশাসনৰ কাৰ্যাৱলী

জিলা প্ৰশাসনে চৰকাৰৰ সকলো বিভাগৰে বিষয়া, কৰ্মচাৰী, জনতাৰ সেৱক অৰ্থাৎ জিলা এখনৰ কাৰ্যকলাপ পৰিচালনা কৰা সকলো অনুষ্ঠানকে সামৰি লয়।

জিলা প্ৰশাসনৰ কাৰ্যাৱলীক তলত দিয়া ধৰণে ভাগ কৰিব পাৰি।

ক) নিয়ন্ত্ৰণমূলক কাৰ্যাৱলী ঃ জিলা প্ৰশাসনৰ এই কাৰ্যাৱলীয়ে আইন-শৃংখলা ৰক্ষা, অপৰাধ নিয়ন্ত্ৰণ আৰু ন্যায় সুৰক্ষা কাৰ্য সামৰি লয়।

খ) উন্নয়নমূলক কাৰ্যাৱলী ঃ কৃষি উৎপাদন, পশুপালন আৰু মীন পালন, আৰু জনস্বাস্থ্য, শিক্ষা, সামাজিক সুৰক্ষা আদি কল্যাণমূলক কাৰ্যৰ লগত জড়িত কাৰ্যাৱলীক জিলা প্ৰশাসনৰ উন্নয়নমূলক কাৰ্য হিচাপে ধৰা হয়।

গ) স্থানীয় স্ব-শাসিত গোটৰ লগত জড়িত কাৰ্যাৱলী ঃ স্থানীয় স্ব-শাসিত গোটসমূহৰ প্ৰশাসনৰ বাবে জিলা প্ৰশাসন দায়ী হয়। পৌৰসভা আৰু পঞ্চায়তী ৰাজ অনুষ্ঠানসমূহে জিলা প্ৰশাসনৰ তদাৰকত কাম কৰে।

ঘ) নিৰ্বাচন সম্বন্ধীয় কাৰ্যাৱলী ঃ সংসদ, বিধানসভা আৰু স্থানীয় স্ব-শাসিত গোটসমূহৰ নিৰ্বাচন সম্বন্ধীয় কাৰ্য পৰিচালনা কৰাটো জিলা প্ৰশাসনৰ দায়িত্ব।

ঙ) জৰুৰী কাৰ্যাৱলী ঃ প্ৰাকৃতিক আৰু মানৱসৃষ্ট যিকোনো জৰুৰী অৱস্থাৰ সৈতে মোকাবিলা কৰাটো জিলা প্ৰশাসনৰ দায়িত্ব।

ওপৰত উল্লেখ কৰা কাৰ্যসমূহৰ বাহিৰেও জিলা প্ৰশাসনে আন কিছুমান কাৰ্য সম্পাদন কৰিব লাগে যিবোৰক সঠিক সংজ্ঞা প্ৰদান কৰা হোৱা নাই আৰু যিবোৰক কৰিবলৈ জিলাত চৰকাৰৰ প্ৰতিনিধি নাথাকে।



অনুশীলনী ১২.১

বৰ্তমান অসমৰ জিলাৰ সংখ্যা উলিয়াবলৈ চেষ্টা কৰক। এই জিলাবোৰৰ তালিকা এখন প্ৰস্তুত কৰক।

.....

.....



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ১ ঃ মৌৰ্য সাম্ৰাজ্যৰ দিনত জিলাৰ উন্নয়নৰ দায়িত্বত থকা বিষয়াজনক ..... বোলা হৈছিল। (খালী ঠাই পূৰণ কৰক)

প্ৰশ্ন ২ ঃ জিলা প্ৰশাসনৰ উন্নয়নমূলক কাৰ্যাৱলী আলোচনা কৰক।

.....

.....

প্ৰশ্ন ৩ ঃ জিলা প্ৰশাসনৰ নিয়ন্ত্ৰণমূলক কাৰ্যাৱলী আলোচনা কৰক।

.....

.....

প্ৰশ্ন ৪ ঃ এখন জিলাৰ আৰক্ষী প্ৰশাসনৰ মুৰব্বী গৰাকী কোন ?

.....

.....



১২.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- মৌৰ্য সাম্ৰাজ্য হৈছে ঐতিহাসিকভাৱে চিহ্নিত প্ৰথম সাম্ৰাজ্য। এই সাম্ৰাজ্যক বিভিন্ন এলেকাত ভাগ কৰা হৈছিল যাক পুনঃবিভাজন কৰা হৈছিল জিলালৈ আৰু এই জিলাসমূহৰ আহাৰ, বিশ্ব আৰু প্ৰদেশ হিচাপে জনা গৈছিল।গুপ্ত সাম্ৰাজ্যৰ দিনতো এই শাসন পদ্ধতি অটুট ৰাখিছিল। মোগলসকলেও এই পদ্ধতিকেই অনুসৰণ কৰিছিল। প্ৰশাসন আৰু ৰাজহ সংগ্ৰহৰ উদ্দেশ্যে তেওঁলোকে সাম্ৰাজ্যখনক প্ৰদেশ বা চুবাহত ভাগ কৰিছিল যাক পুনৰ চৰকাৰ বা জিলালৈ ভাগ কৰা হৈছিল।
- বৃটিছ শাসনৰ অধীনত পূৰ্বৰ শাসন পদ্ধতি বাহাল ৰখা হৈছিল আৰু জিলাক প্ৰশাসনৰ প্ৰাথমিক একক কৰা হৈছিল।
- ৰাজ্যৰ বেছিভাগ বিভাগকেই জিলা পৰ্যায়ত তেওঁলোকৰ নিজৰ নিজৰ বিষয়াই প্ৰতিনিধিত্ব কৰে। ফলত জিলাৰ প্ৰশাসনীয় কেন্দ্ৰটো ৰাজ্যৰ একপ্ৰকাৰ গৌণ ৰাজধানীত পৰিণত হৈছে। জিলা উপায়ুক্তই জিলা প্ৰশাসনত মুখ্য ভূমিকা গ্ৰহণ কৰে।
- জিলা প্ৰশাসনৰ কাৰ্যাৱলী নিয়ন্ত্ৰণমূলক কাৰ্যাৱলী,উন্নয়নমূলক কাৰ্যাৱলী, স্থানীয় স্ব-শাসিত গোটৰ লগত জড়িত কাৰ্যাৱলী, নিৰ্বাচন সম্বন্ধীয় কাৰ্যাৱলী আৰু জৰুৰী কাৰ্যাৱলীত ভাগ কৰিব পাৰি।
- জিলা আৰু সত্ৰ ন্যায়াধীশসকলে একোখন জিলাৰ ন্যায়িক সংগঠনটোৰ মুৰব্বী ৰূপে কাৰ্যনিৰ্বাহ কৰে। এক আপীল কৰ্তৃপক্ষ হিচাপে জিলা আৰু সত্ৰ ন্যায়াধীশে জিলাৰ ন্যায়াধীশ আৰু অধঃস্তন বিচাৰকৰ আদালতৰপৰা অহা দণ্ডাবিধি তথা ফৌজদাৰী দুয়ো ধৰণৰগোচৰৰ আপীল শুনে। জিলা আৰু সত্ৰ ন্যায়াধীশে আন কিছুমান প্ৰশাসনীয় কৰ্তব্যও পালন কৰে।
- এখন জিলাৰ আইন-শৃংখলো পৰিস্থিতি নিয়ন্ত্ৰণ কৰাৰ বাবে উপায়ুক্তক অৰ্পন কৰা প্ৰধান দায়িত্বতো পালনত আৰক্ষী বাহিনীয়ে মুখ্য ভূমিকা পালন কৰে। উপায়ুক্তই আৰক্ষী অধীক্ষকৰ সৈতে সমন্বয় ৰক্ষা কৰি জিলাৰ শান্তি-সম্প্ৰীতি তথা ৰাজহুৱা শৃংখলা সকলো সময়তে বৰ্তাই ৰখাৰ চেষ্টা কৰে।
- এখন জিলাৰ অভিযান্ত্ৰিক প্ৰশাসনৰ মুৰব্বী হ'ল কাৰ্যবাহী অভিযন্তা।কাৰ্যবাহী অভিযন্তাৰ বিভাগটোক গড়কাপ্তানি বিভাগ। এই বিভাগটোৱে চৰকাৰী ভৱন, বাট-পথ, দলং, জলভাণ্ডাৰ (পুখুৰী) , কুঁৱা আদি নিৰ্মাণ তথা তদাৰকৰ কামবোৰ সমাধা কৰে।
- এখন জিলাক বিভিন্ন মহকুমাত বিভক্ত কৰি লোৱা হয়। একোগৰাকী মহকুমাধিপতি একোখন মহকুমাৰ মুৰব্বী হিচাপে কাৰ্যনিৰ্বাহ কৰে। ভাৰতীয় প্ৰশাসনীয় সেৱাত নতুনকৈ যোগদান কৰা অথবা ৰাজ্যিক অসামৰিক সেৱাৰ বিষয়াসকলক এই পদত নিযুক্তি দিয়া হয়। উপপ্ৰতিসমাহৰ্তাসকলে মহকুমা পৰ্যায়ত ৰাজহ বিষয়ক কাম কাজ, দণ্ডাধীশ বিষয়ক কাম-কাজ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিষয়ক কাম-কাজ সম্পাদন কৰে।